**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। কলম্বিয়াই পেহেলগাম কাণ্ড তথা ইয়াৰ পৰৱৰ্তী পৰ্যায়ৰ ঘটনাৱলীক লৈ পাকিস্তানৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰা পূৰ্বৰ বিতৰ্কিত বিবৃতিটো প্ৰত্যাহাৰ কৰি ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী স্থিতিৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছে।

২। সন্ত্ৰাসবাদক উৎখাত কৰাৰ আহ্বানেৰে ভাৰতৰ সংসদীয় প্ৰতিনিধি দলৰ বিদেশ ভ্ৰমণৰ জৰিয়তে আৰম্ভ হোৱা উচ্চ পৰ্যায়ৰ আলাপ-আলোচনা অব্যাহত আছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেহেলগাম কাণ্ডক ভাৰতৰ নাৰী শক্তিৰ প্ৰতি প্ৰত্যাহ্বান বুলি অভিহিত কৰি এই ঘটনা কুটাঘাতকাৰীৰ বাবে মৃত্যু ঘণ্টা সদৃশ হৈ পৰা বুলি মত প্ৰকাশ কৰিছে।

৪। দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত হোৱা ধাৰাষাৰ বৰষুণৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ স্বাভাৱিক জীৱনযাত্ৰা বাৰুকৈয় ব্যাহত হৈছে। আৰু

৫। ভাৰতৰ ৰোহন বোপান্না আৰু চেক গণৰাজ্যৰ আদম পাৱালাচেকৰ যুটিটো ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

ooooooo

সন্ত্ৰাসবাদক উৎখাত কৰাৰ আহ্বানেৰে ভাৰতৰ সংসদীয় প্ৰতিনিধি দলৰ বিদেশ ভ্ৰমণৰ জৰিয়তে আৰম্ভ হোৱা উচ্চ পৰ্যায়ৰ আলাপ-আলোচনা অব্যাহত আছে। ভিন ভিন দলৰ সাংসদসকলক লৈ গঠন কৰা এনে ৭টা প্ৰতিনিধি দলে সম্প্ৰতি বিভিন্ন দেশৰ নেতৃবৰ্গৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰি ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী স্থিতিৰ বিষয়ে তেওঁলোকক অৱগত কৰাইছে। সম্প্ৰতি কলম্বিয়া ভ্ৰমণৰত কংগ্ৰেছ সাংসদ শশী থাৰুৰ নেতৃত্বধীন সৰ্বদলীয় প্ৰতিনিধি দলটোৱে আজি দেশখনৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ উপমন্ত্ৰী ৰোজা য়'লাণ্ডা ভিল্লাভিছেনছিয়'ক সাক্ষাৎ কৰে। মন্ত্ৰীগৰাকীৰ লগতে এছীয়-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ঘটনাৱলী সম্পৰ্কীয় বিষয়ৰ দায়িত্বত থকা কলম্বিয়া চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰীসকলৰ সৈতেও দলটোৱে মত বিনিময় কৰে।

সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত সাংসদ থাৰুৰে কয় যে শেহতীয়া ঘটনাৱলী সন্দৰ্ভত পাকিস্তানৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰা কলম্বিয়াৰ বিবৃতিটোক লৈ ভাৰতৰ অসন্তুষ্টিৰ বিষয়ে তেওঁ দেশখনৰ মন্ত্ৰীসকলক জানিবলৈ দিয়ে। ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত হোৱাৰ পাছত কলম্বিয়াৰ চৰকাৰে পূৰ্বে দিয়া বিবৃতিটো প্ৰত্যাহাৰ কৰাৰ লগতে নতুন দিল্লীৰ এই স্থিতি সম্পূৰ্ণৰূপে অনুধাৱন কৰি ইয়াৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়োৱা বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

শ্ৰী থাৰুৰে লগতে কয় যে ভাৰতে ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ সৈতে সম্পৰ্কক বিশেষভাৱে মূল্য দি আহিছে। উল্লেখযোগ্য যে ভাৰত হ'ল ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য।

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ স্থিতিৰ বিষয়ে বিশ্বৰ ভিন ভিন দেশৰ নেতৃবৰ্গক অৱগত কৰোৱাৰ উদ্দেশ্যে ভ্ৰমণলৈ যোৱা দলসমূহৰ মাজৰ শিৱসেনাৰ সাংসদ ড০ শ্ৰীকান্ত একনাথ সিন্দে নেতৃত্বাধীন সৰ্বদলীয় প্ৰতিনিধি দলটোৱে তেওঁলোকৰ ছিয়েৰা লিয়ন ভ্ৰমণৰ সামৰণি মাৰিছে। তেওঁলোকে ইতিমধ্যে দেশখনৰ সংসদৰ অধ্যক্ষ, প্ৰতিৰক্ষা দপ্তৰৰ উপমন্ত্ৰী, ৰাষ্ট্ৰীয় নিৰাপত্তা সমন্বয়ক, কাৰ্যবাহী বিদেশমন্ত্ৰী আৰু উপৰাষ্ট্ৰপতিকে ধৰি উচ্চস্তৰীয় নেতৃবৰ্গৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰে। প্ৰতিনিধি দলটোৱে সন্ত্ৰাসবাদৰ বিৰুদ্ধে  ভাৰতৰ শূণ্য সহনশীলতাৰ নীতিৰ বিষয়ে তেওঁলোকক অৱগত কৰোৱাৰ লগতে সন্ত্ৰাসবাদৰ পৰা উদ্ভৱ হোৱা ভাবুকী প্ৰতিহত কৰাৰ বাবে বিশ্ববাসীৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ প্ৰয়োজনৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। ভাৰতৰ স্থিতিৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই ছিয়েৰা লিয়নে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে আলোচনাত অংশগ্ৰহণ কৰা দেশখনৰ নেতৃবৰ্গই এই ঘটনাত শোক প্ৰকাশ কৰি কিছুসময় মৌনতা অৱলম্বন কৰে। উল্লেখযোগ্য যে সন্ত্ৰাসবাদাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শান্তি সুৰক্ষিত কৰি ৰখাৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদ, **Financial Action Task Force** চমুকৈ **FATF**  কে ধৰি আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে সংহতভাৱে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি দুয়োখন দেশৰ প্ৰতিনিধিসকলে মত পোষণ কৰে।

সম্প্ৰতি লাটভিয়া ভ্ৰমণৰত ডি এম কেৰ সাংসদ কে কানিমোঝি নেতৃত্বাধীন প্ৰতিনিধি দলটোৱে দেশখনত বসবাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰে। প্ৰতিনিধি দলটোক আদৰণি জনোৱাৰ উদ্দেশ্যে ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে আয়োজন কৰা **সিন্দূৰ সন্মান** অনুষ্ঠানত ভাগ লৈ সংসদীয় প্ৰতিনিধিসকলে তেওঁলোকৰ সৈতে বিভিন্ন বিষয় লৈ মত বিনিময় কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেহেলগাম কাণ্ডক ভাৰতৰ নাৰী শক্তিৰ প্ৰতি প্ৰত্যাহ্বান বুলি অভিহিত কৰি এই ঘটনা কুটাঘাতকাৰীৰ  বাবে মৃত্যু ঘণ্টা সদৃশ হৈ পৰা বুলি মত প্ৰকাশ কৰিছে। ভূপালত আজি আয়োজিত এখন জনসভাত ভাষণ দি তেওঁ কয় যে ভাৰতে কোনো কাৰণতে কোনো ধৰণৰ ছাঁয়া যুদ্ধক সহ্য নকৰে আৰু এনেধৰণৰ সন্ত্ৰাসক কঠোৰভাৱে প্ৰত্যুত্তৰ দিয়াৰ প্ৰতি দেশখন সংকল্পবদ্ধ। দিনজোৱা ভ্ৰমণসূচীৰে মধ্যপ্ৰদেশলৈ যোৱা প্ৰধানমন্ত্ৰী মোদীয়ে আজি ভূপালৰ জাম্বুৰি ময়দানত আয়োজিত লোকমাতা দেৱী অহল্যা বাইৰ ৩০০ বছৰীয়া জন্ম বাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।  এই অনুষ্ঠানতেই তেওঁ সাংস্কৃতিক মন্ত্ৰালয়ে বিশেষভাৱে যুগুতোৱা এটা ৩০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰে। উল্লেখযোগ্য যে লোকমাতা দেৱী অহল্যা বাই হল্কাৰৰ প্ৰতি সন্মানাৰ্থে এই বিশেষ মুদ্ৰাটো প্ৰস্তুত কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে এই অনুষ্ঠানতেই এটা স্মাৰক ডাক টিকটো আনুষ্ঠানিকভাৱে মুকলি কৰে। আজি অনুষ্ঠানত ছত্তিশগড়ৰ বাষ্টাৰৰ বাসিন্দা ড০ জয়মতী কাশ্যপক দেৱী অহল্যা বাই হল্কাৰ বঁটা প্ৰদান কৰা হয়। গন্দী ভাষাৰ সুৰক্ষা তথা মানৱ সৰবৰাহকাৰীৰ কবলৰ পৰা মহিলাক উদ্ধাৰ কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বাবে সমাজকৰ্মীগৰাকীলৈ  এই বঁটা আগবঢ়োৱা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁক এই বঁটা প্ৰদান কৰে।

০০০০০০

দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত হোৱা ধাৰাষাৰ বৰষুণৰ বাবে দেশৰ আন কোনো ঠাইৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ স্বাভাৱিক জীৱনযাত্ৰা বাৰুকৈয়ে ব্যাহত হৈছে। বৰষুণ এৰাৰ ফলত গুৱাহাটী মহানগৰীকে ধৰি অসমৰ কেতবোৰ ঠাইত  পৰিস্থিতি কিছুপৰিমাণে উন্নত হৈছে যদিও ভালেমান অঞ্চল এতিয়াও যোগাযোগ বিচ্ছিন্ন হৈ আছে। বতৰ বিজ্ঞান বিভাগৰ আগজাননী অনুসৰি গুৱাহাটীকে ধৰি অসম তথা উত্তৰ

পূর্বাঞ্চলৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ অব্যাহত থকাৰ সম্ভাৱনা আছে। প্ৰতিকুল বতৰকো নেওচি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকলে দুৰ্যোগৰ মাজেৰে হ'লেও কৰ্মস্থলীত উপস্থিত হৈ জনসাধাৰণক বান পৰিস্থিতি সন্দৰ্ভত সজাগ-সতৰ্ক কৰি তোলাৰ দায়িত্ব পালন কৰি আছে।

মহানগৰীৰ পূৰ্বে বান পৰিস্থিতিৰ সন্মুখীন নোহোৱা ভালেমান অঞ্চল এইবাৰ পানীত বুৰ যোৱা বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আজিৰ দিনটোৰ বাবে গুৱাহাটী মহানগৰীৰ শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখাৰ লগতে চৰকাৰী কৰ্মচাৰীসকলৰ বাবেও আজি নৈমিত্তিক ছুটীৰ ব্যৱস্থা কৰা হৈছে। চৰকাৰে দুটা সাহায্য শিবিৰ স্থাপনৰ জৰিয়তে বান প্ৰভাৱিত জনসাধাৰণলৈ সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা কৰিছে। এনে পৰিস্থিতিৰ মাজতে বানৰ কৱলত পৰা লোকসকলক নাৱেৰে সাহায্য সামগ্ৰী যোগান ধৰাৰ প্ৰয়োজন উদ্ভৱ হোৱা বুলিও একাংশ লোকে মত প্ৰকাশ কৰিছে। বান পৰিস্থিতিৰ সন্মুখীন হ'বৰ বাবে ৰাজ্যৰ ভিন ভিন ঠাইত এছ ডি আৰ এফ, এন ডি আৰ এফ আৰু ডি ডি আৰ এফৰ উদ্ধাৰকাৰী জোৱানৰ দল কৰ্তব্যত নিয়োজিত হৈ আছে।

০০০০০০

নিজোৰাম লৰংতৰাই চহৰত প্ৰৱল বৰষুণৰ ফলত হোৱা ভূমিস্খলনত এখন হোটেলকে ধৰি ছটা বাসগৃহ ভাগি পৰাত বহু লোক হতাহত হোৱাৰ আশংকাই দেখা দিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি সীমান্ত অঞ্চলৰ সমীপৰ বাজাৰ বেং তথা চান্দমাৰীত কালি প্ৰায় চাৰে দহ বজাত এই ঘটনা সংঘটিত হয়।

ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনী এছ ডি আৰ এফ এ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। এই উদ্ধাৰ কাৰ্যত তৃতীয় ভাৰতীয় সংৰক্ষিত বেটেলিয়ান আৰু য়াং লাই সংস্থাৰ স্বেচ্ছাসেৱকসকলেও সহযোগিতা আগবঢ়াইছে। উল্লেখযোগ্য যে কালিৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত মিজোৰামৰ কেইবাটাও স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে।

০০০০০০

ভাৰত আৰু ব্ৰাজিলে শ্বংগ্ৰীলা আলোচনা ২০২৫ ত এখন মুক্ত তথা সৰ্বাত্মক ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল গঢ়ি তোলাৰ প্ৰতিশ্ৰুতিবদ্ধতা দোঁহাৰি দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰি তোলিছে। চীফ অৱ দিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, আৰু ব্ৰাজিলৰ সসশস্ত্ৰ বাহিনীৰ চীফ অৱ ষ্টাফ অডমিৰেল এণ্ডৱাইৰ ফ্ৰেইৰে সুশৃংখলিত তথা নীতিবদ্ধ আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থাৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি উমৈহতীয়া স্বাৰ্থজড়িত বিষয়সমূহআলোচনা কৰে। তেওঁলোকে বিভিন্ন আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভতোমত বিনিময় কৰে।

০০০০০০

টেনিচত ভাৰতৰ ৰোহণ বোপান্না আৰু চেক গনৰাজ্যৰ আদাম পাৱলাচেকৰ যুটীটোৱে ফ্ৰান্স অপেন টেনিচ প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত প্ৰবেশ কৰিছে। ৰোহণ- আদাম যুটীটোৱে পুৰুষৰ ডাবলছ শাখাত দ্বিতীয় ৰাউণ্ডত ফাবিয়ান ৰেবৌল আৰু চদিঅ' দৌম্বিয়াৰ যুটীটোক পৰাস্ত কৰে। খেলখণৰ প্ৰথমটো ছেত ৬-৭ ফলাফলত পৰাজিত হোৱাৰ পাছত ৰোহণ আৰু আদামৰ যুটীটোৱে পৰৱৰ্তী দুয়োটা ছেটত ৭-৬,৬-২ ফলাফলত জয়লাভ কৰে, যুটীটোৱে কাইলৈ দ্বিতীয় বাছনিৰ যুটী গ্ৰেট ব্ৰিটেইনৰ হেনৰি পেটেল আৰু ফিনলেণ্ডৰ হাৰি হেলিঅ'ৱাৰাৰ বিৰুদ্ধে খেলিব।

০০০০

মংগোলীয়াত হোৱা উথান বাতৰ অপেন ২০২৫ প্ৰতিযোগিতাত মল্লযুজঁত ভাৰতীয় খেলুৱৈসকলে কালি মংগোলীয়াত হোৱা উথান বাতৰ অপেন ২০২৫ প্ৰতিযোগিতাৰ চাৰিটা সোনকে ধৰি ছয়টা পদক অৰ্জন কৰিছে। পেৰিছ অলিম্পিকত ২০২৪ ৰ খেলুৱৈ অন্তিম পংগৰে মহিলাৰ ৩৫ কিলোগ্ৰাম শাখাত নাতালিয়া মেলিশ্বেভাক ১০-০ ফলাফলত পৰাস্ত কৰে। মহিহিলাৰ ৫৭ কিলোগ্ৰাম শাখাত নেহা চাংৱানে অলিম্পিক খেলুৱৈ ব'ল'ৰটুৱা খুৰেলযুক ৪-০ ৰ ফলাফলত পৰাস্ত কৰি সোনৰ পদক অৰ্জন কৰে। ৫৯ কিলোগ্ৰাম শাখাত মুচকান আৰু ৭২ কিলোগ্ৰাম শাখাত হৰ্ষিতাই সোনৰ পদক দখল কৰে।

আনহাতে পুৰুষৰ গ্ৰেক' ৰ'মান ৬০ কিলোগ্ৰাম শাখাত সূৰুজে ৰূপৰ পদক অৰ্জন কৰে। মহিলাৰ ৫০কিলোগ্ৰাম ফ্ৰীষ্টাইল শাখাত নিলমে ব্ৰঞ্জৰ পদক দখল কৰে।

ভাৰতে এতিয়ালৈ প্ৰতিযোগিতাখনত ৫ টা সোন,৩টা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদকেৰে সৈতে মুঠ ১২ টা পদক লাভ কৰিছে।

০০০০০০

দক্ষিণ কোৰিয়াৰ চংৱনত থকা ২০২৫ পেৰা শ্বুটিং বিশ্ব কাপ প্ৰতিযোগিতাৰ মহিলা $P_2$ - দহ মিটাৰ এয়াৰ পিষ্টল $Sh_1$ শাখাত ভাৰতৰ মনা আগৰৱালে ৰূপৰ পদক অৰ্জন কৰিছে। আগৰৱালে ২০২৪ চনৰ পেৰিছ পেৰা অলিম্পিকতো ফোনৰ পদক অৰ্জন কৰিছিল।

পেৰা অলিম্পিকৰ চেম্পিয়ন অৱনী লেখাৰাই চতুৰ্থ স্থানতে সন্তুষ্ট থাকিবলগীয়া হয়। আনহাতে ভাৰতীয় শ্বুটাৰ RS উনহলকাৰে প্ৰতিযোগিতাত সপ্তম স্থান দখল কৰে। ০০০০০০